**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-03-2025 **Time :** 1910 Hrs.

## *Assamese Evening Bulletin*
## *HEADLINES*

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দমন, ডিউ আৰু দাদৰা নগৰ হাভেলীৰ চিলভাছাত দুহেজাৰ ৫৮৭ কোটি টকাৰ বিভিন্ন প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

২। কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কৃত্ৰিম বুদ্ধিমত্তা চালিত উদ্যোগৰ বাবে পৰৱৰ্তী প্ৰজন্মক প্ৰস্তুত কৰাৰ ক্ষেত্ৰত ঔদ্যোগিক আৰু শৈক্ষিক সহযোগিতাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

৩। মিজোৰামত আজি ব্যাপক উৎসাহ উদ্দীপনা আৰু পৰম্পৰাগত নীতি-নিয়মেৰে **চাপচাৰ কূট** উৎসৱ উদযাপন কৰা হয়।

৪। তামিলনাডুত আজি সংঘটিত এটা পথ দুৰ্ঘটনাত পাঁচগৰাকী যাত্ৰী নিহত হোৱাৰ লগতে ২০গৰাকীতকৈও অধিক লোক আহত হয়।

আৰু

৫। মহিলা প্ৰিমিয়াৰ লীগৰ এখন খেলত আজি লক্ষ্ণৌত গুজৰাট টাইটেনছ্ ডেলহী কেপিটেলছ্ বিৰুদ্ধে কিছু সময় পাছতে অৱতীৰ্ণ হ'ব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দমন, ডিউ আৰু দাদৰা নগৰ হাভেলীৰ চিলভাছাত দুহেজাৰ ৫৮৭ কোটি টকাৰ বিভিন্ন প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। প্ৰধানমন্ত্ৰীয়ে চিলভাছাত ৪৫০খন বিছনাযুক্ত নমো হাস্পতাল আৰু গৱেষণা কেন্দ্ৰ মুকলি কৰে। তেওঁ লগতে কেন্দ্ৰীয় শাসিত অঞ্চলটোত এহেজাৰ ৭৫ কোটি টকা ব্যয়সাপেক্ষ ২৫টা প্ৰকল্পও উদ্বোধন কৰে। শ্ৰীমোদীয়ে দমনত ৩০০খন বিছনাযুক্ত মাৰৱাৰ চিকিৎসালয়ৰ চাৰিটা ব্লক নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰাৰ লগতে খানভেলত এখন উপ-জিলা চিকিৎসালয়, দমনৰ ৰাষ্ট্ৰীয় ঘাইপথ ৮৪৮-বিৰ সম্প্ৰসাৰণ, ১২খন নতুন বিদ্যালয় নিৰ্মাণ তথা দমন আৰু ডিউৰ বিভিন্ন পথৰ উন্নয়ন কাৰ্যৰ আধাৰশিলা স্থাপন কৰে। সন্ধিয়ালৈ প্ৰধানমন্ত্ৰীয়ে চুৰাট খাদ্য সুৰক্ষা পৰিপূৰ্ণতা অভিযান মুকলি কৰাৰ উদ্দেশ্যে গুজৰাটৰ চুৰাটলৈ যাব। প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্ন যোজনাৰ অধীনত চুৰাটৰ প্ৰায় ২ লাখ হিতাধিকাৰীয়ে এই সুবিধা লাভ কৰিব।

আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উপলক্ষে শ্ৰীমোদীয়ে শ্ৰী মোদীয়ে কাইলৈ নৱছাৰিত লাখপতি দিদি সন্মিলনত ভাগ লৈ ২৫ হাজাৰৰো অধিক আত্মসহায়ক গোটৰ আঢ়ৈ লাখ গৰাকী মহিলালৈ ৪৫০ কোটি টকাৰো অধিক পৰিমাণৰ ধন বিতৰণ কৰিব।

০০০০

বৈদ্যুতিন আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কৃত্ৰিম বুদ্ধিমত্তা চালিত উদ্যোগৰ বাবে পৰৱৰ্তী প্ৰজন্মক প্ৰস্তুত কৰাৰ ক্ষেত্ৰত উদ্যোগ-শৈক্ষিক সহযোগিতাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। নতুন দিল্লীত আজি অনুষ্ঠিত এখন সন্মিলনত ভাষণ দি শ্ৰীবৈষ্ণৱে কয় যে সমগ্ৰ ভাৰতৰ ২৪০খন

বিশ্ববিদ্যালয়ত বিশ্বৰ বহু আগশাৰীৰ কৃত্ৰিম বুদ্ধিমত্তা আৰু ছেমি-কণ্ডাক্টৰ সঁজুলিৰে সজ্জিত কৰা হৈছে। তেওঁ শিক্ষাবিদসকলক আৰু প্ৰতিষ্ঠানসমূহক এনে পদক্ষেপসমূহ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে ভাৰতে বিশ্বৰ শীৰ্ষ পাঁচখন প্ৰযুক্তি ৰাষ্ট্ৰৰ ভিতৰত স্থান লাভ কৰি নিজৰ প্ৰযুক্তি আৰু সামগ্ৰী বিকশিত কৰিব লাগিব। তেওঁ সকলোকে ৰাষ্ট্ৰীয় প্ৰতিভা আৰু আত্মবিশ্বাসক ব্যৱহাৰ কৰি উদ্ভাৱনক আগুৱাই নিবলৈ আৰু গোলকীয় ডিজিটেল অৰ্থনীতিৰ নেতা হ'বলৈ আহ্বান জনায়।

০০০০

আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উদযাপনৰ অংশ হিচাপে কলম্বোৰ স্বামী বিবেকানন্দ সাংস্কৃতিক কেন্দ্ৰই কলম্বোৰ আয়ুৰ্বেদ চিকিৎসালয়ত মহিলাৰ স্বাস্থ্য আৰু পৰিপুষ্টি সম্পৰ্কীয় কাৰ্যসূচী ৰূপায়ণ কৰে। মহিলাসকলৰ মাজত পৰিপুষ্টি আৰু স্বাস্থ্যৰ গুৰুত্ব সম্পৰ্কে সজাগতা বৃদ্ধিৰ উদ্দেশ্যে আয়োজিত এই কাৰ্যসূচীৰ লগত সংগতি ৰাখি ছাত্ৰীসকলৰ স্বাস্থ্য পৰীক্ষাও কৰা হয়। কেন্দ্ৰই কাইলৈ মহিলাসকলৰ বাবে যোগ অনুশীলনৰ আয়োজন  কৰিছে। ইয়াৰ পূৰ্বে এই সপ্তাহতে স্বামী বিবেকানন্দ সাংস্কৃতিক কেন্দ্ৰই কন্যাসকলৰ সবলীকৰণ তথা তেওঁলোকৰ মাজত আত্মবিশ্বাস গঢ়ি তোলাৰ উদ্দেশ্যে কাৰাটে প্ৰশিক্ষণো অনুষ্ঠিত কৰে। গালেৰ সংঘমিট্টা মহাবিদ্যালয় আৰু কলম্বো হিন্দু মহিলা মহাবিদ্যালয়ত আয়োজিত বিভিন্ন অনুষ্ঠানৰ অংশস্বৰূপে এই কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি অনুৰা কুমাৰা দিশানায়কে আন্তঃৰাষ্ট্ৰীয় মহিলা দিৱস উপলক্ষে দিয়া এটা বাৰ্তাযোগে মহিলাৰ অধিকাৰ সুৰক্ষা কৰাৰ দিশত ন্যায়সংগত সমাজ, মুক্ত জাতি আৰু মহিলাৰ সবল দৃষ্টিভঙ্গী সুৰক্ষিত কৰাৰ ক্ষেত্ৰত তেওঁৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ বিষয়ে প্ৰকাশ কৰে। উল্লেখযোগ্য যে শ্ৰীলংকাৰ ৫০ শতাংশতকৈও কৰ্মশক্তি মহিলাৰ দ্বাৰা গঠিত যদিও উচ্চ পদবীত মহিলাৰ প্ৰতিনিধিত্ব নাই।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুদিনীয়া ভ্ৰমণসূচী লৈ এই মাহৰ ১১ তাৰিখে মৰিছাছলৈ যাব। নতুন দিল্লীত আজি সংবাদ মাধ্যমৰ আগত এই বিষয়ে প্ৰকাশ কৰি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰনধীৰ জয়ছৱালে কয় যে প্ৰধানমন্ত্ৰীয়ে ১২ মাৰ্চত মৰিছাছৰ ৰাষ্ট্ৰীয় দিৱস উদযাপনৰ কাৰ্যসূচীত মুখ্য অতিথি ৰূপে অংশগ্ৰহণ কৰিব। বাৰতীয় নৌসেনা বাহিনীৰ এখন জাহাজৰ লগতে ভাৰতীয় প্ৰতিৰক্ষা বাহিনীৰ এটা দলেও এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব। এই ভ্ৰমণৰ সময়ছোৱাত প্ৰধানমন্ত্ৰীয়ে মৰিছাছৰ ৰাষ্ট্ৰপতিক সাক্ষাৎ কৰাৰ লগতে দেশখনৰ প্ৰধানমন্ত্ৰী আৰু জ্যেষ্ঠ বিষয়া তথা নেতাসকলৰ সৈতে বৈঠকত মিলিত হ'ব।

০০০০

মিজোৰামত আজি ব্যাপক উৎসাহ উদ্দীপনা আৰু পৰম্পৰাগত নীতি-নিয়মেৰে **চাপচাৰ কূট** উৎসৱ উদযাপন কৰা হয়। ঝুম খেতিৰ বাবে হাবি কাটি জুই লগাই মুকলি কৰাৰ পাছত প্ৰতি বছৰে মাৰ্চ মাহত এই উৎসৱ উদযাপন কৰা হয়। চাপচাৰ কূট উৎসৱ মিজোসকলে অতীজৰে পৰা বসন্ত ঋতু পালন কৰি আহিছে। এই উৎসৱে সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকৰ মাজত একতা আৰু সম্প্ৰীতিৰ ভাৱ জগাই তোলে। পূৰ্বে এই উৎসৱ সপ্তাহজুৰি উদযাপন কৰা হৈছিল যদিও বৰ্তমান ইয়াক দিনজোৰা কাৰ্যসূচীৰে উদযাপন কৰা হয়। চাপচাৰ কূট উৎসৱে শ্ৰমৰ মৰ্যাদাক স্বীকৃতি দিয়াৰ লগতে মিজো সমাজৰ চহকী সংস্কৃতিক প্ৰতিফলিত কৰে। মুখ্যমন্ত্ৰী লালডোহোমাই আজি আইজলৰ লামুৱেলত আয়োজন কৰা চাপচাৰ কূট উৎসৱত অংশগ্ৰহণ কৰে।

০০০০০

নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ'ই ৰাজ্যখনত পেট্ৰ'লিয়ামৰ অন্বেষণ আৰু নিস্কাষণৰ পুনৰ আৰম্ভৰ পোষকতা কৰি কয় যে ই ৰাজ্যখনৰ অৰ্থনৈতিক অৱস্থা উন্নত কৰিব। **নাগালেণ্ডত পেট্ৰ'লিয়ামৰ অন্বেষণ আৰু নিস্কাষণ** বিষয়ত ৰাজ্যৰ বিধাসভাত আজি অনুষ্ঠিত আলোচনাত অংশগ্ৰহণ কৰি শ্ৰীৰিঅ'ই এইদৰে মন্তব্য কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যখনৰ চহকী তৈল ভাণ্ডাৰ সন্দৰ্ভত আলোকপাত কৰি কয় যে ৰাজ্যখনৰ ওখা জিলাৰ চাংপাঙত ১৯৭৩ চনত প্ৰথম তেলৰ আৱিস্কাৰ হৈছিল আৰু ১৯৮৩ চনৰ পৰা ইয়াৰ উৎপাদন আৰম্ভ হৈছিল। কিন্তু ১৯৯৪ চনত অকৰ্তৃত্বশীলভাৱে নিস্কাষণ আৰু ৰয়েলটী নিদিয়াৰ অজুহাতত উৎপাদন বন্ধ কৰি দিয়া হৈছিল। শ্ৰীৰিঅ'ই কয় যে **নাগালেণ্ড পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ নিয়মাৱলী ২০১২**-এ পেট্ৰ'লিয়াম নিস্কাষণৰ পথ প্ৰশস্ত কৰি মেট্ৰ'পলিটান অইল আৰু প্ৰাকৃতিক গেছ প্ৰাইভেট লিমিটেডে ওখা জিলাত এই অধিকাৰ প্ৰদান কৰে। তেওঁ এই সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ত চলি থকা আইনী গোচৰৰ শুনানি সন্দৰ্ভতো আলোকপাত কৰে। মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় বিষয়াসকলৰ সৈতে হোৱা বৈঠকত ৰাজ্যখনত পেট্ৰ'লিয়ামৰ পুনৰ অন্বেষণ আৰম্ভ কৰাৰ অনুমতি ব্যৱস্থা আৰু ৰাজ্যখনত শোধনাগাৰ স্থাপনৰ প্ৰস্তাৱকে ধৰি সকলো সমস্যা সমাধানৰ বাবে পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ সৈতে চলি থকা আলোচনাৰ বিষয়ে প্ৰকাশ কৰে। তেওঁ ৰাজ্যখনত পেট্ৰ'লিয়ামৰ অন্বেষণৰ বাবে নিৰ্দিষ্ট নীতি আৰু নাগৰিকক উপকৃত কৰিব পৰাকৈ ৰাজহৰ ভাগ-বটোৱাৰাৰ প্ৰয়োজনীয়তাত বিশেষ গুৰুত্ব দিয়ে। মুখ্যমন্ত্ৰী ৰিঅ'ই কয় যে এই পদক্ষেপসমূহে আইনী গোচৰত কোনো প্ৰভাৱ নেপেলায়, কিন্তু তেল আৰু গেছৰ অন্বেষণ আৰু নিস্কাষণৰ সম্ভাৱনা মুকলি কৰাৰ লগতে অৰ্থনীতিৰ উন্নয়নতো সহায় কৰিব।

ooooo

আকাশবাণী বাতৰি বিভাগে আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উপলক্ষে কাইলৈ ২৪ ঘণ্টাই হিন্দী আৰু ইংৰাজী ভাষাত মহিলা বাতৰি পৰিবেশকসকলে বাতৰি পৰিবেশন কৰিব। এই সময়ছোৱাত মূল ৪৫খন বাতৰি বুলেটিনৰ লগতে প্ৰতি ঘণ্টাৰ বাতৰি মহিলাবাতৰি পৰিবেশকসকলে পৰিবেশন কৰিব আৰু বাতৰি বিভাগৰ সমগ্ৰ কাম-কাজো মহিলাসকলে সম্পন্ন কৰিব। আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উপলক্ষে কাইলৈ নিশা ৯ বাজি ১৫ মিনিটৰ পৰা ১০ বজালৈ এটা বিশেষ আলোচনা প্ৰচাৰ কৰা হ'ব।

ooooo

তামিলনাডুৰ তিৰুট্টানি ছোলিনগুৰ ঘাইপথত আজি সংঘটিত এটা দুৰ্ঘটনাত পাঁচগৰাকী যাত্ৰী নিহত হোৱাৰ লগতে ২০গৰাকীতকৈও অধিক লোক আহত হয়। এখন লৰীয়ে চৰকাৰী যাত্ৰীবাহী বাছক মুখামুখিকৈ খুন্দিওৱাৰ ফলত এই দুৰ্ঘটনা সংঘটিত হয়। আহতসকলক চিকিৎসাৰ বাবে তিৰুট্টানি আৰু সমীপৰ চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে।

ooooo

মহিলা প্ৰিমিয়াৰ লীগৰ এখন খেলত আজি লক্ষ্ণৌত গুজৰাট টাইটেনছ ডেলহী কেপিটেলছ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত অনুষ্ঠিত হ'ব।

প্ৰতিযোগিতাৰ এখন খেলত কালি মুম্বাই ইণ্ডিয়ানছে ইউ পি ৱাৰিয়ৰ্ছক ৬ উইকেটত পৰাস্ত কৰে। লক্ষ্ণৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত পৰাজয়ৰ পাছতে ইউ পি ৱাৰিয়ৰ্ছৰ প্লে অব ৰাউণ্ডলৈ যোগ্যতা অৰ্জনৰ সকলো সম্ভাৱনাৰ অন্ত পৰে। খেলখনত প্ৰথমে বেটিং কৰি ৱাৰিয়ৰ্ছে নিৰ্ধাৰিত ২০ অভাৰত ৯ টা উইকেট হেৰুৱাই ১৫০ ৰান কৰে। জৰ্জিয়া ভ'লে সৰ্বাধিক ৫৫ ৰান কৰে। মুম্বাইৰ এমেলিয়া কাৰে ৫টা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত মুম্বায়ে ৯ টা বল বাকী থকা অৱস্থাত ৪ টা উইকেট

হেৰুৱাই খেলখনত জয় লাভ কৰিবলৈ সমৰ্থ হয়। ৪৬ টা বলত ৬৮ ৰান কৰা অ'পেনাৰ হেইলী মেথিউজলৈ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা আগবঢ়োৱা হয়।

উল্লেখযোগ্য যে অহা ১১ মাৰ্চত লীগ পৰ্যায়ৰ খেলৰ অন্ত পৰিব। পইণ্ট তালিকাৰ শীৰ্ষ স্থানৰ দলটোৱে পোনপটীয়াকৈ ফাইনেল খেলাৰ সুযোগ লাভ কৰিব। দ্বিতীয় আৰু তৃতীয় স্থানত থকা দল দুটাই ১৩ মাৰ্চত এখন প্লে অফ খেলত অৱতীৰ্ণ হ'ব আৰু বিজয়ী দলটোৱে ফাইনেললৈ যোগ্যতা অৰ্জন কৰিব। মহিলা প্ৰিমিয়াৰ লীগৰ এইবাৰৰ চূড়ান্ত খেলখন ১৫ মাৰ্চত খেলোৱা হ'ব।

0000000

কোচিৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত আজি আই এছ্ এল ফুটবল প্ৰতিযোগিতাৰ এখন খেলত কেৰালা ব্লাষ্টাৰ্ছ মুম্বাই চিটীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাৰ এখন খেলত কালি পাঞ্জাব ফুটবল ক্লাবে হায়দৰাবাদ ফুটবল ক্লাবক ৩-১ গ'লত পৰাস্ত কৰে। হায়দৰাবাদৰ জি এম চি বালায়োগি এথলেটিক ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত পাঞ্জাবৰ ছাজী অ'জী, শামী ছিংগামায়ুম আৰু লুকা মাজছেনে এটাকৈ গল দিয়ে।

00000

সমাপ্ত